# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 22-04-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চৌদি আৰৱৰ প্ৰধানমন্ত্ৰী মহম্মদ বিন ছলমানৰ আমন্ত্ৰণমৰ্মে আজিৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে দেশখনলৈ যাব।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীৰ এন এ এছ চি চৌহদত ছেভ আৰ্থ, অৰ্থাৎ ধৰিত্ৰীক বচাও শীৰ্ষক এখন সন্মিলন মুকলি কৰিব।

৩। এখন দেশ এটা নিৰ্বাচন সন্দৰ্ভত আজি যুটীয়া সংসদীয় সমিতিৰ এখন বৈঠক অনুষ্ঠিত হ'ব।

৪। ভাৰত চৰকাৰে কালি ইহলীলা সম্বৰণ কৰা পোপ ফ্ৰান্সিছৰ সন্মানাৰ্থে দেশত তিনিদিনীয়াকৈ ৰাষ্ট্ৰীয় শোক পালন কৰা হ'ব বুলি ঘোষণা কৰিছে। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত এখন খেলত গুজৰাট টাইটানছে কলকাতা নাইট ৰাইডাৰ্ছক ৩৯ ৰানত পৰাস্ত কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চৌদি আৰৱৰ যুৱৰাজ আৰু প্ৰধানমন্ত্ৰী মহম্মদ বিন ছলমানৰ আমন্ত্ৰণমৰ্মে আজিৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে দেশখনলৈ যাব। ২০১৬ আৰু ২০১৯ৰ পাছত এয়া হ'ব শ্ৰীমোদীৰ দেশখনলৈ তৃতীয়টো ভ্ৰমণ। প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণে দুয়োখন দেশৰ সম্পৰ্ক সুদৃঢ় কৰাৰ লগতে অৰ্থনৈতিক, প্ৰতিৰক্ষা, সাংস্কৃতিক আৰু কৌশলগত সহযোগিতাৰ দিশত বিশেষ গুৰুত্ব বহন কৰিব বুলি আশা কৰা হৈছে।

চৌদি আৰৱে দেশখনৰ অৰ্থব্যৱস্থাক অধিক ত্বৰান্বিত কৰাৰ লক্ষ্যৰে ২০১৬ চনত আৰম্ভ কৰা ৰাষ্ট্ৰীয় ৰণনীতিৰ ক্ষেত্ৰত ব্যাপকভাৱে কাম আৰম্ভ কৰা সময়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দেশখনলৈ এই ভ্ৰমণ তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত হৈছে। চৌদি আৰৱে ইয়াৰ নাগৰিকসকলক সৱলীকৰণ কৰা, উদ্ভাৱনৰ ক্ষেত্ৰত গোলকীয় নেতৃত্ব, বহনক্ষম আৰু সামগ্ৰিক বিকাশৰ অৰ্থে ২০৩০ চনত এই লক্ষ্যত উপনীত হোৱাৰ বাবে কাৰ্যপন্থা গ্ৰহণ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এই ভ্ৰমণে ভাৰত আৰু চৌদি আৰৱৰ মাজত দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ লগতে লিংগ সমতাৰ ক্ষেত্ৰত ভাৰতৰ দৃষ্টিভংগীয়ে ২০৩০ চনত দেশখনৰ এই লক্ষ্যত উপনীত হোৱাত সহায় কৰিব বুলি আশা কৰা হৈছে।

লিংগ সমতা স্থাপনৰ ক্ষেত্ৰত ভাৰতৰ স্থিতি মহত্বপূৰ্ণ বুলি বিবেচিত হৈ আহিছে। জি-২০ৰ অধ্যক্ষতাৰ সময়ত ভাৰতে চৌদি আৰৱকে ধৰি ইয়াৰ সহযোগী দেশসমূহক ২০২৫ চনলৈ শ্ৰম শক্তিৰ ক্ষেত্ৰত ২৫ শতাংশলৈ লিংগ অসমতা হ্ৰাস কৰাৰ বাবে প্ৰতিশ্ৰুতি দিছিল। এই প্ৰতিশ্ৰুতিৰে বিত্তীয় দিশৰ লগতে শিক্ষা, স্বাস্থ্য আৰু নেতৃত্বৰ বিকাশৰ ক্ষেত্ৰত মহিলাসকলক আগুৱাই নিয়াত গুৰুত্ব প্ৰদান কৰা হৈছে।

০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ উপ-ৰাষ্ট্ৰপতি জে ডি ভান্স যোৱা নিশা তিনিদিনীয়া কাৰ্যসূচীৰে জয়পুৰত উপস্থিত হৈছে। উপ-ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে তেওঁৰ ভাৰতীয় মূলৰ পত্নী ঊষা ভান্স তথা পৰিয়ালৰ অন্যান্য সদস্যসকলৰ লগতে দেশখনৰ প্ৰশাসনৰ শীৰ্ষ বিষয়াৰ এটা দলো ভাৰতলৈ আহিছে। আজি পুৱা তেওঁ ঐতিহাসিক আমেৰ ফ'ৰ্ট পৰিদৰ্শন কৰিব। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে আজি বিয়লিৰ ভাগলৈ ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ বাণিজ্যিক সম্পৰ্কৰ ভৱিষ্যত সন্দৰ্ভত এখন বাণিজ্যিক সন্মিলনতো ভাষণ দিব। শ্ৰীভান্সে ৰাজস্থানৰ ৰাজ্যপাল হৰিভাও বাগদে আৰু মুখ্যমন্ত্ৰী ভজনলাল শৰ্মাকো সাক্ষাৎ কৰাৰ কথা আছে। উপ-ৰাষ্ট্ৰপতিগৰাকীৰ জয়পুৰ ভ্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি চহৰখনত সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীৰ এন এ এছ চি চৌহদত ছেভ আৰ্থ, অৰ্থাৎ ধৰিত্ৰীক বচাও শীৰ্ষক এখন সন্মিলন মুকলি কৰিব। জলবায়ু পৰিৱৰ্তনৰ ফলত উদ্ভৱ হোৱা সমস্যাসমূহৰ জোৰা মৰাৰ লগতে অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত বাঁহৰ ভূমিকাৰ অন্বেষণ কৰিবলৈ এই সন্মিলনৰ আয়োজন কৰা হৈছে। পৰিৱেশ আৰু বহনক্ষম উন্নয়নৰ বাবে থকা মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰীৰ টাস্ক ফ'ৰ্চৰ অধ্যক্ষ পাচা পেটেলে জনোৱা অনুসৰি লাটুৰৰ ফিনিক্স ফাউণ্ডেচন সংস্থা আৰু ইণ্ডিয়ান চেম্বাৰ অৱ ফুড এণ্ড এগ্ৰিকালচাৰে এই সন্মিলনৰ আয়োজন কৰিছে। সন্মিলনত সমগ্ৰ দেশৰ প্ৰায় বাৰশ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে। সন্মিলনত আজি কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰী আৰু কেন্দ্ৰীয় পৰিৱেশ মন্ত্ৰী ভূপেন্দ্ৰ যাদৱে পৃথক পৃথক অধিৱেশনত ভাষণ দিয়াৰ কথা আছে। সন্মিলনত জলবায়ুৰ সৈতে জড়িত কাম-কাজ আৰু সেউজ উদ্ভাৱনৰ ক্ষেত্ৰত পৰিৱৰ্তনৰ নেতৃত্ব দিয়া ১৫ গৰাকী বিশিষ্ট ব্যক্তিক চলিত বৰ্ষৰ ভাৰত বহনক্ষম বঁটাৰে সন্মানিত কৰা হ'ব।

ooooo

যুটীয়া সংসদীয় সমিতিৰ **এখন দেশ এটা নিৰ্বাচন** সন্দৰ্ভত আজি এখন বৈঠক অনুষ্ঠিত হ'ব। এই বৈঠকৰ প্ৰথম সত্ৰত, উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ হেমন্ত গুপ্তাৰ সৈতে এখন আলোচনা অনুষ্ঠিত হ'ব। ইয়াৰ পাছতে আন এখন সত্ৰত জম্মু-কাশ্মীৰ উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ এছ এন ঝাৰ সৈতে আলোচনা অনুষ্ঠিত হ'ব। আন এখন সত্ৰত উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ তথা ২১ সংখ্যক আইন আয়োগৰ অধ্যক্ষ বি এছ চৌহানৰ সৈতে আলোচনাৰ পাছতে শেষৰখন সত্ৰত ৰাজ্যসভাৰ সদস্য আৰু জ্যেষ্ঠ অধিবক্তা ড০ অভিষেক মনু সিংভিয়ে অংশগ্ৰহণ কৰিব।

ooooo

ভাৰত চৰকাৰে কালি ইহলীলা সম্বৰণ কৰা পোপ ফ্ৰান্সিছৰ সন্মানাৰ্থে দেশত তিনিদিনীয়াকৈ ৰাষ্ট্ৰীয় শোক পালন কৰা হ'ব বুলি ঘোষণা কৰিছে। ঘোষণা অনুসৰি আজি আৰু কাইলৈ দুদিন আৰু তেওঁৰ শেষকৃত্য সম্পন্ন কৰাৰ দিনটোত ৰাষ্ট্ৰীয় শোক পালন কৰা হ'ব। এই সময়ছোৱাত দেশত ৰাষ্ট্ৰীয় পতাকা অৰ্ধনমিত কৰি ৰখা হ'ব আৰু কোনোধৰণৰ চৰকাৰী বিনোদনধৰ্মী কাৰ্যসূচী আয়োজন কৰা নহ'ব।

ooooo

উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্নাই ছাংহাই সহযোগিতা সংস্থাৰ মুখ্য ন্যায়াধীশবৰ্গৰ কুৰি সংখ্যক বৈঠকত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে কালি হাংঝৌত উপস্থিত হয়। মুখ্য ন্যায়াধীশগৰাকীক চীনৰ চুপ্ৰিম পিপল'ছ ক'ৰ্টৰ কাৰ্যবাহী উপ-মুখ্য ন্যায়াধীশ ডেং জিউমিং আৰু ছাংহাইত থকা ভাৰতৰ বাণিজ্যিক

দূতাবাসৰ মুৰব্বী প্ৰতীক মাথুৰে আদৰণি জনায়। দহখন সদস্য ৰাষ্ট্ৰৰ এই সংস্থাৰ বৰ্তমান অধ্যক্ষৰ দায়িত্ব বহন কৰা চীনে সংস্থাৰ বিকাশৰ উদ্দেশ্যে কেইবাখনো বৈঠকৰ আয়োজন কৰিছে। সংস্থাৰ সদস্য দেশকেইখন হ'ল- ভাৰত, চীন, ৰাছিয়া, ইৰাণ, কাজাখাস্তান, কিৰ্গিস্তান, তাজিকিস্তান, উজবেকিস্তান, বেলাৰুছ আৰু পাকিস্তান।

ooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা দুটা দিনত ৰাজস্থান, মধ্যপ্ৰদেশ, হাৰিয়ানা, উত্তৰ প্ৰদেশ, বিদৰ্ভ, ওড়িশা আৰু চত্তীশগড়ত গ্ৰীষ্ম প্ৰবাহৰ আগলি বতৰা প্ৰকাশ কৰিছে। বিভাগটোৰ মতে বিহাৰ, ঝাৰখণ্ড, কংকন, গোৱা, মাৰ্ঠৱাৰা, গুজৰাট, কেৰালা, মাহে, তামিলনাডু, পুডুচেৰী, কাৰিকল আৰু ৰায়লাছিমাত আজি বতৰ গৰম আৰু আৰ্দ্ৰ হ'ব পাৰে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি অৰুণাচল, অসম আৰু মেঘালয়ৰ ঠায়ে ঠায়ে প্ৰবল বৰষুণ হোৱাৰ আগলি বতৰা দিছে। একেদৰে ওড়িশা, নাগালেণ্ড, মণিপুৰ, ত্ৰিপুৰা, অন্ধ্ৰপ্ৰদেশৰ উপকূল অঞ্চল য়ানাম আৰু কৰ্ণাটক ঠাই বিশেষে অহা দুই-তিনিদনত প্ৰচণ্ড ধুমুহা, শিলাবৃষ্টি আৰু ব্ৰজপাতৰ পূৰ্বাভাস দিছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত এখন খেলত গুজৰাট টাইটানছে কলকাতা নাইট ৰাইডাৰ্ছক ৩৯ ৰানত পৰাস্ত কৰি প্ৰতিযোগিতাৰ চলিত সংস্কৰণত নিজৰ ষষ্ঠ বিজয় সাব্যস্ত কৰে। ১৯৯ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি কলকাতা দলটোৱে নিৰ্ধাৰিত ২০ অভাৰ অজিংক্যা ৰাহানেৰ অৰ্ধশতক সত্বেও ৫টা উইকেট হেৰুৱাই ১৫৯ ৰানহে কৰিবলৈ সমৰ্থ হয়। গুজৰাটৰ হৈ প্ৰসিধ কৃষ্ণা আৰু ৰাছিদ খানে দুটাকৈ উইকেট দখল কৰাৰ বিপৰীতে মহম্মদ ছিৰাজ, ঈশান্ত শৰ্মা, ৱাছিংটন সুন্দৰ আৰু ৰবি শ্ৰীনিবাসন ছাই কিশোৰে এটাকৈ উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি গুজৰাট টাইটানছে নিৰ্ধাৰিত ২০ অভাৰত ৩টা উইকেট হেৰুৱাই ১৯৮ ৰান কৰে। দলৰ হৈ অধিনায়ক শুভমন গিলে ৯০ আৰু ছাই সুদৰ্শনে ৫২ ৰানৰ বৰঙণি আগবঢ়ায়। কলকাতাৰ বৈভৱ আৰোৰা, হৰ্ষিত ৰাণা আৰু আন্দ্ৰে ৰাছেলে এটাকৈ উইকেট লাভ কৰে। এই জয়ৰ সুবাদত গুজৰাট টাইটানছে মুঠ ১২ পইণ্টেৰে পইণ্ট তালিকাৰ শীৰ্ষস্থান লাভ কৰাৰ বিপৰীতে কলকাতাৰ দলটো ৬ পইণ্টেৰে সপ্তম স্থানত আছে

প্ৰতিযোগিতাত আজি লক্ষ্ণৌৰ ভাৰতৰত্ন শ্ৰীঅটল বিহাৰী বাজপেয়ী একানা ক্ৰিকেট ষ্টেডিয়ামত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে ডেলহী কেপিটেলছৰ বিৰুদ্ধে খেলিব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

ভাৰতৰ সীমৰণ প্ৰীত কৌৰ ব্ৰাৰে পেৰুৰ লীমাত চলি থকা ইণ্টাৰনেচনেল শ্বুটিং স্পৰ্ট ফেডাৰেচন বিশ্বকাপৰ মহিলাৰ ২৫ মিটাৰ পিষ্টল শিতালত ৰূপৰ পদক অৰ্জন কৰিছে। এয়া হ'ল খেলুৱৈগৰাকীৰ প্ৰথমটো আন্তঃৰাষ্ট্ৰীয় পদক। ভাৰতীয় খেলুৱৈগৰাকীৰ প্ৰতিযোগিতাত মুঠ ৩৩ পইণ্ট অৰ্জন কৰি এই পদক লাভ কৰে। একেটা শিতানত চীনৰ ছুন ইউজিয়েই সোণৰ আৰু য়াও কিয়ানচুনে ৰূপৰ পদক অৰ্জন কৰে। পেৰিছ অলিম্পিকত দুটাকৈ পদক অৰ্জন কৰা ভাৰতৰ মনু ভাকেৰে চতুৰ্থ স্থান লাভ কৰে। ভাৰতে এইপৰ্যন্ত প্ৰতিযোগিতাখনত দুটা সোণৰ, চাৰিটা ৰূপৰ আৰু এটা ব্ৰঞ্জৰ পদক লাভ কৰিছে।

ooooo

কেৰালাৰ কোচিত চলি থকা চলিত বৰ্ষৰ নেচনেল ফেডাৰেচন ছিনিয়ৰ এথলেটিকছ্ প্ৰতিযোগিতাত শচীন যাদৱে পুৰুষৰ জেভলিন থ্ৰ' শিতানত ৮৩ দশমিক ৮-৬ মিটাৰেৰে সোণৰ পদক অৰ্জন কৰিছে। প্ৰতিযোগিতাত কালি মহাৰাজা কলেজ ষ্টেডিয়ামত শ্ৰীযাদৱে পঞ্চম ৰাউণ্ডত এই কৃতিত্ব অৰ্জন কৰে। একেটা শিতানত য়ছ্ বীৰ সিঙে ৮০ দশমিক ৮-৫ মিটাৰেৰে দ্বিতীয় আৰু সাহিল ছিলৱালে ৭৭ দশমিক ৮-৪ মিটাৰেৰে তৃতীয় স্থান দখল কৰে। ২০২৩ চনৰ এছিয়ান গেমছত ৰূপৰ পদক অৰ্জন কৰা কিশোৰ জেনাই ৭৭ দশমিক ৮-২ মিটাৰ দূৰত্বলৈ যাঠি নিক্ষেপ কৰি চতুৰ্থ স্থান লাভ কৰে। উল্লেখযোগ্য যে অহা মাহত কোৰিয়াৰ গুমীত হ'বলগীয়া ২০২৫ চনৰ এছিয়ান এথলেটিকছ্ চেম্পিয়নশ্বিপৰ বাবে কোচিত হৈ থকা প্ৰতিযোগিতাখনক যোগ্যতা অৰ্জনকাৰী প্ৰতিযোগিতা হিচাপে গণ্য কৰা হৈছে।

ooooo

সমাপ্ত